## নির্দেশনাৰ অৰ্থ (Meaning of Guidance)

জীৱনৰ লক্ষ্য সাধনৰ বাবে ব্যক্তিৰ প্ৰতি আগবঢ়োৱা সহায়-সহানুভূতি, উপদেশ আৰু পৰামৰ্শ আদিয়ে হৈছে নির্দেশনা (Guidance)। এনে নির্দেশনা ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে জীৱনৰ সকলো পৰিস্থিতিতে আৰু বিকাশৰ প্ৰতিটো পৰ্যায়ত প্ৰয়োজন হয়।

Scanned with CamScanner

### শিক্ষাক্ষেত্রত নির্দেশনাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব (Need and importance of Guidancce in education)

ক্ৰমশঃ শিক্ষা ব্যৱস্থাৰ জটিলতা বৃদ্ধিৰ লগে লগে শৈক্ষিক নিৰ্দেশনাৰ প্ৰয়োজনীয়তাও অধিক ভাৱে অনুভৱ কৰা হৈছে। পুৰণি কালত শিক্ষাদান কাৰ্য আৰু ইয়াৰ ক্ৰিয়া পৰিসৰো আছিল অতি সীমিত। গুৰুৰ ঘৰত মৌখিকভাৱে অনুকৰণ কৰি ধৰ্মীয় গ্ৰন্থৰ শিক্ষা আয়ত্তকৰণেই আছিল ছাত্ৰৰ বাবে যথেষ্ট। আধুনিক কালত যুক্তিহীনভাৱে অন্ধ অনুকৰণৰ পৰিবৰ্তে ছাত্ৰক তাৰ আত্ম-শিক্ষা প্ৰচেষ্টাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা দিয়াটোহে বৰ্তমান শিক্ষকৰ কৰ্তব্য স্বৰূপে বিবেচনা কৰা হয়। আজিৰ শিক্ষাত শিক্ষকৰ ভূমিকা হৈছে পৰোক্ষ কিন্তু অধিক দায়িত্বপূৰ্ণ। এনে দৃষ্টিভঙ্গীয়ে স্বাভাৱিকতেই শিক্ষাত নিৰ্দেশনাৰ প্ৰয়োজনীয়তা অধিক বৃদ্ধি কৰি তুলিছে। এই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে নিৰ্দেশনা সম্বন্ধে

Scanned with CamScanner

মতামত দিছিল — "ভাল শিক্ষাৰ ৰহস্য এইয়ে যে ই ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ নিজ প্ৰতিভা আৰু ক্ষমতাৰ বিষয়ে অনুভৱ কৰাত সহায় কৰে আৰু কেনেদৰে কি পৰিমাণে তাৰ বিকাশ লাভ কৰি উপযুক্তভাৱে সামাজিক সমাযোজন আৰু কৰ্মনিয়োগ সাধন কৰি উঠিব পাৰে তাৰ বাবে নিৰ্দেশনা দান কৰে।"

এই প্ৰসংগত অধিক বিস্তৃত আলোচনালৈ নগৈ শিক্ষাত নিৰ্দেশনাৰ প্ৰয়োজনীয়তা সম্বন্ধে তলত উল্লেখ কৰা দিশ কেইটাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব পাৰি।

**১। শৈক্ষিক বিকাশৰ প্ৰয়োজন (Need of academic development)**

মনোবৈজ্ঞানিকভাৱে ছাত্ৰই প্ৰতিটো পাঠ্য বিষয় অধ্যয়নৰ বাবে একোটা বিশিষ্ট শৈক্ষিক ক্ষমতা বা যোগ্যতাৰ প্ৰয়োজন। বিষয় সাপেক্ষে ছাত্ৰৰ এনে যোগ্যতা আশানুৰূপভাৱে থকা-নথকাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে ছাত্ৰক তাৰ অধ্যয়নৰ নিৰ্দেশনা দিব লাগে। বহু সময়ত দেখা যায় যে ছাত্ৰই অধ্যয়নৰ বিষয়বস্তুৰ স্বৰূপ বুজি উঠিব নোৱাৰা বাবে অথবা অভিভাৱকৰ হেঁচাত পৰি ভুলকৈ বিষয় নিৰ্বাচন কৰি শৈক্ষিক জীৱনত খেলি-মেলি আৰু এক লক্ষ্যভ্ৰষ্ট অৱস্থাৰ সৃষ্টি কৰে। ইয়াৰউপৰি দেখা যায় যে কোনো কোনো ছাত্ৰই শিক্ষাৰ একো একোটা বিশেষ দিশত ব্যক্তিগতভাৱে দুৰ্বলতা আৰু অক্ষমতা অনুভৱ কৰে। পঠন অক্ষমতা, ব্যাকৰণৰ দুৰ্বলতা, দৃষ্টি-শ্ৰৱণ শক্তিৰ দুৰ্বলতা আদি এই প্ৰসঙ্গত উল্লেখযোগ্য। ছাত্ৰৰ দুৰ্বলতাৰ এনেবোৰ দিশ চিনাক্তকৰণ কৰি তাৰ প্ৰয়োজনীয় নিৰ্দেশনাৰ ব্যৱস্থা কৰাটো শিক্ষকৰ কৰ্তব্য।

**২। বৃত্তীয় নিৰ্বাচনৰ প্ৰয়োজন (Need of vocational selection)**

শিক্ষা প্ৰধানকৈ আমাৰ বৃত্তীয় জীৱনৰ বাবেই প্ৰয়োজন হয়। আধুনিক শিক্ষাৰ এক প্ৰধান লক্ষ্য হৈছে ছাত্ৰক অৰ্থনৈতিকভাৱে উৎপাদনশীল আৰু স্বাৱলম্বী কৰি তোলা। সেইবুলি সকলো ছাত্ৰকেই সকলোবোৰ বৃত্তিমূলক আৰু উৎপাদন মূলক ক্ৰিয়াৰ বাবে সমানে উপযোগী বুলি বিবেচনা কৰিব নোৱাৰি। এই ক্ষেত্ৰত ব্যক্তি পাৰ্থক্যৰ প্ৰশ্ন গভীৰভাৱে জড়িত। বিভিন্ন বৃত্তিৰ বিশেষতা অনুসৰি তাক আয়ত্ব কৰাৰ বাবে কেনেবোৰ বিশিষ্ট যোগ্যতাৰ প্ৰয়োজন, তেনেবোৰ যোগ্যতা তথা সম্ভাৱনীয়তা কেনেবোৰ ছাত্ৰৰ ব্যক্তিত্বত অন্তৰ্নিহিত হৈ আছে আৰু সেই যোগ্যতাৰ আশানুৰূপ বিকাশত কিদৰে সহায়-সহানুভূতি আৰু শৈক্ষিক প্ৰণোদন যোগাব পাৰি এইসমূহ অতি গুৰুত্বপূৰ্ণ

Scanned with CamScanner

দিশ। ইয়াৰ উপৰিও বৰ্তমান বৃত্তীয় জগতত আমি ভাবিব নোৱাৰা ধৰণে বৃত্তিসমূহৰ পৰিবৰ্তন সাধন হৈছে। বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰয়োগে আমাৰ দ্ৰুত আধুনিকীকৰণৰ পথলৈ যোৱাৰ লগে লগে জীৱন আৰু জীৱিকাৰ চাহিদা অধিক বৃদ্ধি পাই উঠিছে! কাৰিকৰী বিজ্ঞানভিত্তিক নতুন নতুন বৃত্তীয় সম্ভাৱনীয়তাই বৰ্তমান দেখা দিছে। এই দিশৰ প্ৰতি ছাত্ৰৰ দৃষ্টি আকৰ্ষণ কৰি তোলাটো আৰু তাৰ বাবে প্ৰয়োজনীয় নির্দেশনা দিয়াটো সময়ৰ এক প্ৰত্যাহ্বান স্বৰূপ বুলি গণ্য কৰিব পাৰি।

**৩। অৱসৰ সময়ৰ শিক্ষাৰ প্ৰয়োজন (Need of education for leisure)**

অৱসৰ সময় কটাবৰ বাবে দিয়া শিক্ষাই ছাত্ৰৰ সূক্ষ্ম কলাত্মক আৰু সৃজনাত্মক অনুভূতি আৰু প্ৰবৃত্তিসমূহ বিকশাই তুলি সুস্থ ব্যক্তিত্ব গঢ় দি তুলিব পাৰে। ব্যক্তিৰ মানবীয় অনুভূতিসমূহো ইয়াৰ যোগেদি সাৰ্থকভাৱে বিকশাই তুলিব পাৰি। উল্লেখযোগ্য যে শ্ৰেণীকক্ষত পাঠ্যবিষয়ৰ শিক্ষা দিনটোৰ অতি কম সময়ৰ বাবেহে ছাত্ৰক দিয়া হয়। ইয়াৰ উপৰি স্কুলৰ দীঘলীয়া বন্ধ আৰু শিক্ষা বিৰতিৰ কালছোৱাত ছাত্ৰই কৰ্মহীনভাৱে কটাব লাগে। এই সময়খিনি কিদৰে সাৰ্থকভাৱে গঠনাত্মক ক্ৰিয়াৰ যোগেদি কটাব পাৰি তাৰ প্ৰয়োজনীয় শিক্ষা-নির্দেশনাৰ আৱশ্যকতা বৰ্তমান বিশেষভাৱে অনুভৱ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ নিজৰ যোগ্যতা আৰু আগ্ৰহ-অভিৰুচিৰ ওপৰত ভিত্তি কৰি স্কুলৰ সহপাঠ্যক্ৰমৰ ক্ৰিয়া-কলাপ 'হবি' স্বৰূপে বাচি লোৱাত শিক্ষকে সহায় কৰিব পাৰে।

**৪। সামাজিক সমাযোজনৰ প্ৰয়োজন (Need of social adjustment)**

বৰ্তমান নতুন ধাৰণা মতে স্কুলক এখন বিশেষ সমাজ বা ক্ষুদ্ৰ সমাজ স্বৰূপে গণ্য কৰা হয়। সেইমতে শিক্ষাই ছাত্ৰসকলৰ সামাজিক গুণ বা সংলক্ষণসমূহ বিকশাই তোলাটো প্ৰয়োজন। বৃহত্তৰ সমাজখনৰ সাংস্কৃতিক, ধৰ্মীয় আৰু অৰ্থনৈতিক পৰিস্থিতিৰ লগত খাপ খুৱাই ল'ব পৰাকৈ ছাত্ৰসকলক শিক্ষা নির্দেশনাৰ প্ৰয়োজন। বিভিন্ন সামাজিক পৰিস্থিতিত নেতৃত্ব প্ৰদানৰ বাবে কেনে ভূমিকা গ্ৰহণ কৰিব লাগে, বন্ধুত্ব-ভাতৃত্ব-সমতা সামাজিক ন্যায় আদি গণতান্ত্ৰিক আদৰ্শসমূহ কিদৰে পালন কৰিব লাগে আৰু নিজ দায়িত্ব আৰু অধিকাৰ কিদৰে সাব্যস্ত কৰিব লাগে এই সমূহৰ প্ৰণালীবদ্ধ শিক্ষা নির্দেশনাৰ প্ৰয়োজন। ছাত্ৰৰ মনত দেশৰ গ্ৰহণযোগ্য নীতি-নিয়মসমূহৰ প্ৰতি আস্থা, নিষ্ঠা, আনুগত্য আৰু অনুশাসনৰ ভাৱ জগাই তুলিবৰ বাবেও নির্দেশনাৰ প্ৰয়োজন।

Scanned with CamScanner

### ৫। নৈতিক মূল্যবোধৰ প্ৰয়োজন (Need of moral values)

ছাত্ৰ-ছাত্ৰীৰ নৈতিক জীৱনৰ সুস্থতা ৰক্ষাৰ বাবেও নিৰ্দেশনাৰ প্ৰয়োজন। তেওঁলোকৰ মনত স্বাভাৱিকতেই ন্যায়-অন্যায়, উচিত-অনুচিত আৰু পাপ-পূণ্যৰ নৈতিক অনুভূতি জাগি উঠে। ইয়াক সুস্থভাৱে পৰিচালনা কৰি ছাত্ৰ-ছাত্ৰীৰ নৈতিক মনোবল আৰু মনোভাৱ শিক্ষকে গঢ় দি তুলিব লাগে। কৈশোৰ কালত যুৱক-যুৱতীয়ে তেওঁলোকৰ এই নৈতিক চেতনাৰ প্ৰভাৱৰদ্বাৰা জীৱনৰ এক লক্ষ্য-আদৰ্শ নায়ক বাচি লৈ নিজৰ ভাৱ-অনুভূতি আৰু ক্ৰিয়া-কলাপ সেইমতে গঢ় দি তোলে। এই ক্ষেত্ৰত শিক্ষক অভিভাৱকসকলে উপযুক্ত নিৰ্দেশনাৰদ্বাৰা তেওঁলোকৰ মনত সুস্থ আদৰ্শ আৰু নৈতিক মূল্যবোধ গঢ় দি তোলাত সহায় কৰিব পাৰে। ইয়াৰ উপৰি সমাজত সংঘটিত হোৱা বিভিন্ন অনৈতিক আৰু অনুচিত ক্ৰিয়া-কলাপে কিশোৰ-কিশোৰীসকলৰ মনত তেওঁলোকৰ নৈতিক চেতনাত আঘাত কৰি বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। তেনে অৱস্থাত শিক্ষকৰ অভিজ্ঞতাপুষ্ট নিৰ্দেশনাৰ প্ৰয়োজন হয়।

Scanned with CamScanner